# 1 (Sem–3/FYUGP) ASS 42 MN/(B)

## 2025

## ASSAMESE

( Minor )

Paper Code : ASS4300204MN

( অসমীয়া চুটিগল্প আৰু উপন্যাস )

NANDARAM DHEKIL PHOOKAN COLLEGE LIBRARY
Acc. No.
Date
Nagaon · Assam

( Set–B )

*Full Marks* : 60

*Time* : 2½ hours

*The figures in the margin indicate full marks for the questions*

১। তলৰ প্ৰশ্নবোৰৰ অতি চমুকৈ উত্তৰ দিয়া : ১×৮=৮

(ক) অসমীয়া সাহিত্যত চুটিগল্পৰ জনক বুলি কাক কোৱা হয় ?

(খ) বেজবৰুৱাৰ 'মুক্তি' গল্পটো কোনখন গল্পপুথিৰ পৰা লোৱা হৈছে ?

(গ) লক্ষ্মীনাথ ফুকনৰ 'মেধি' গল্পত মেধিৰ আচল নাম কি ?

(ঘ) হোমেন বৰগোহাঞিৰ 'হাতী' গল্পৰ মাউতজনৰ নাম লিখা।

(ঙ) ঊনবিংশ শতিকাত ৰচিত উপন্যাসধৰ্মী ৰচনা 'বাহিৰে ৰং চং ভিতৰে কোৱাভাতুৰী'ৰ ৰচক কোন ?

(চ) অসমীয়া সাহিত্যত কাক 'উপন্যাস সম্ৰাট' বুলি অভিহিত কৰা হৈছে?

(ছ) চন্দ্ৰপ্ৰসাদ শইকীয়াই ৰচনা কৰা 'তোৰে মোৰে আলোকৰে যাত্ৰা' কাৰ জীৱন-আধাৰিত উপন্যাস?

(জ) মামণি ৰয়চম গোস্বামীৰ 'চেনাবৰ সোঁত' উপন্যাসখন কিমান চনত প্ৰকাশ পাইছিল?

ANANDARAM DHEKIAL PHOOKAN COLLEGE LIB.
Acc. No.
Date
Assam

২। তলৰ যি কোনো ছটা প্ৰশ্নৰ চমু উত্তৰ লিখা : ২×৬=১২

(ক) চুটিগল্পৰ দুটা বৈশিষ্ট্য লিখা।

(খ) বেজবৰুৱাৰ যি কোনো দুখন গল্পপুথিৰ নাম লিখা।

(গ) দৰা যাবৰ বাবে বলোৰাম বুঢ়াই বাপধনক কেনেদৰে সজাইছিল?

(ঘ) হোমেন বৰগোহাঞিৰ গল্পৰ যি কোনো দুটা বৈশিষ্ট্য উল্লেখ কৰা।

(ঙ) বলোৰাম কোন? তেওঁ কেনেকৈ মেধি নাম পাইছিল?

(চ) যোগেশ দাসে কোনখন গ্ৰন্থৰ বাবে আৰু কিমান চনত সাহিত্য অকাডেমী বঁটা লাভ কৰিছিল?

(ছ) 'ৰংমিলিৰ হাঁহি' উপন্যাসখনৰ ৰচক কোন? উপন্যাসখন অসমৰ কোন জনজাতিৰ জীৱনৰ পটভূমিত ৰচিত?

(জ) 'চেনাবৰ সোঁত' উপন্যাসৰ মুখ্য নাৰী চৰিত্ৰটোৰ নাম কি? তেওঁ কি উপায়েৰে জীৱন নিৰ্বাহ কৰিছিল?





(ঝ) ভীম কোন? তেওঁ কাৰ প্ৰেমত পৰিছিল?

(ঞ) 'ডাৱৰ আৰু নাই' উপন্যাসখনৰ প্ৰথম সংস্কৰণ কোন চনত প্ৰকাশ হৈছিল? উপন্যাসখনৰ আদৰ্শ চৰিত্ৰটোৰ নাম লিখা।

৩। তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা : ৫×৪=২০

(ক) আৱাহন যুগৰ অসমীয়া চুটিগল্পৰ বৈশিষ্ট্য লিখা।

(খ) চৈয়দ আব্দুল মালিকৰ গল্পৰ বিশেষত্ব আলোচনা কৰা।

(গ) 'মেধি' গল্পৰ অৱনীধৰ বৰঠাকুৰ কোন? গল্পটোত চৰিত্ৰটোৱে কি ভূমিকা পালন কৰিছে?

(ঘ) "সি কেৱল এটা হাতী নহয়, কেৱল এটা অভিজাত বাহনো নহয়, সি যে তেওঁৰ জীৱনৰ সাফল্যৰ প্ৰতীক।" কথাখিনিৰ তাৎপৰ্য বিচাৰ কৰা।

(ঙ) ঐতিহাসিক অসমীয়া উপন্যাস সম্পৰ্কে এটা টোকা লিখা।

(চ) 'ডাৱৰ আৰু নাই' উপন্যাসৰ অনুপমা চৰিত্ৰটো চমুকৈ বিশ্লেষণ কৰা।

(ছ) 'চেনাবৰ সোঁত' উপন্যাসখনৰ কাহিনীভাগ তোমাৰ নিজৰ ভাষাৰে চমুকৈ লিখা।

(জ) বীণা বৰুৱাৰ যি কোনো এখন উপন্যাসৰ বিষয়ে চমুকৈ আলোচনা কৰা।

ANANDARAM DHEKIAL PHOOKAN COLLEGE LIBRARY
Acc. No
Date
Nagaon Assam

৪। তলৰ যি কোনো দুটা প্ৰশ্নৰ উত্তৰ লিখা : ১০×২=২০

(ক) 'অসমীয়া উপন্যাসৰ উদ্ভৱ আৰু বিকাশৰ ধাৰা' শীৰ্ষক এটি প্ৰবন্ধ যুগুত কৰা।

(খ) লক্ষ্মীনাথ ফুকনৰ 'মেধি' গল্পৰ মেধি চৰিত্ৰটো বিশ্লেষণ কৰা।

(গ) হোমেন বৰগোহাঞিৰ 'হাতী' গল্পটিত মূল্যবোধৰ অৱক্ষয়ৰ চিত্ৰ কিদৰে অঙ্কিত হৈছে, আলোচনা কৰা।

(ঘ) দ্বিতীয় বিশ্বযুদ্ধই সমসাময়িক অসমীয়া সমাজখনক কেনে-ধৰণেৰে প্ৰভাৱিত কৰিছিল, 'ডাৱৰ আৰু নাই' উপন্যাসৰ আলমত আলোচনা কৰা।

(ঙ) মামণি ৰয়চম গোস্বামীৰ উপন্যাসত মানৱতাবাদী ভাবধাৰা কিদৰে প্ৰকাশ পাইছে, 'চেনাবৰ সোঁত' উপন্যাসৰ আধাৰত বিশ্লেষণ কৰা।

★★★